# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 30-08-2026
**Time :** 0755 Hrs.

## *Assamese Morning Bulletin*

0000000

নেপালত যোৱা বুধবাৰৰ বিধবংসী বানৰ পাছত বৰ্তমানলৈকে ১০৮ জন ভাৰতীয় লোকক উদ্ধাৰ কৰা হৈছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, যে পূৰ্বে সন্ধানহীন হৈ থকা প্ৰায় ৫০ জন ভাৰতীয় লোকৰ সৈতে যোগাযোগ কৰিব পৰা গৈছে। মন্ত্ৰালয়ে উল্লেখ কৰা মতে, এতিয়াও ২৭৫ জন ভাৰতীয় লোক সন্ধানহীন হৈ থকাৰ লগতে প্ৰায় ১২৮ জন প্ৰৱাসী ভাৰতীয়ৰ কোনো সন্ধান পোৱা হোৱা নাই।

ইপিনে, নেপালৰ আকস্মিক বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৬৭৫ লৈ বৃদ্ধি পাইছে। বৰষুণ আৰু পুনৰ বানৰ আশংকাৰ মাজতে উদ্ধাৰ অভিযান পূৰ্ণগতিত অব্যাহত আছে। বানৰ ফলত কমেও ৩২০ জন বিদেশী নাগৰিকৰ লগতে প্ৰায় দুহেজাৰ ৪০০ লোক সন্ধানহীন হৈ আছে। এতিয়ালৈকে ২৬১ গৰাকী বিদেশী পৰ্যটককে ধৰি ৪ হাজাৰ ৪০০ৰো অধিক লোকক উদ্ধাৰ আৰু স্থানান্তৰ কৰা হৈছে। নেপাল আৰক্ষীয়ে জনোৱা মতে, ৮ খন জিলাৰ পৰা ৬৭৫টা মৃতদেহ উদ্ধাৰ কৰা হৈছে। ইয়াৰ ভিতৰত চিটৱান, নাৱালপাৰাচী পূৱ আৰু নাৱালপাৰাচী পশ্চিম জিলাত সৰ্বাধিক মৃতদেহ উদ্ধাৰ হৈছে। সৰ্বাধিক ক্ষতিগ্ৰস্ত ৰাছুৱা জিলাৰ কৰ্তৃপক্ষই জনোৱা মতে, বৰষুণ আৰু কুঁৰলীৰ বাবে সাময়িকভাৱে বন্ধ ৰখা উদ্ধাৰ আৰু সাহায্য অভিযান কালি পুনৰ আৰম্ভ হৈছে।

চীনৰ ফালে থকা সীমান্তত ৭ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৫৫০ৰো অধিক লোক সন্ধানহীন হৈ আছে বুলি চীনা কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

ইপিনে, পুনৰ বৰষুণে পৰিস্থিতি জটিল কৰি তুলিছে। ক্ৰমশঃ প্ৰতিকূল হ'বলৈ ধৰা বতৰ আৰু ক্ষতিগ্ৰস্ত আন্তঃগাঁথনিৰ ফলত বানত বেয়াকৈ প্ৰভাৱিত কোনো কোনো অঞ্চলত উদ্ধাৰ অভিযান চলোৱাত অসুবিধা হোৱাৰ আশংকাই দেখা দিছে।

0000000

অসমৰ জাতি-জনগোষ্ঠীৰ ঐতিহ্যক সন্মান কৰা তথা বৈচিত্ৰ্যক আদৰ আৰু ঐক্যক শক্তিশালী কৰাই চৰকাৰৰ সংকল্প বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে। ডিব্ৰুগড় জিলাৰ গৰুধৰিয়াত তিনি দিনীয়াকৈ অনুষ্ঠিত সদৌ অসম মটক যুৱ ছাত্ৰ পৰিষদৰ পঞ্চদশ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত অংশ লৈ শ্ৰী সোণোৱালে কালি এইদৰে কয়। মটক জনগোষ্ঠীৰ গৌৰৱময় ইতিহাস আৰু সমৃদ্ধ সাংস্কৃতিক পৰম্পৰাই নতুন প্ৰজন্মক সদায় অনুপ্ৰাণিত কৰি যাব বুলি শ্ৰী সোণোৱালে মন্তব্য কৰে। এই অনুষ্ঠানতে কালি সদিয়াৰ বিধায়ক বলিন চেতিয়াক মটক জনগোষ্ঠীৰ বীৰ পুৰুষ **মতাটুকুৰা বৰুৱা** সমন্বয় বঁটা প্ৰদান কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মটক যুৱ ছাত্ৰ পৰিষদৰ এই প্ৰচেষ্টাৰ শলাগ লৈ কয়, যে ৰাজ্যৰ অধিকাংশ লোক এই বীৰ পুৰুষগৰাকীৰ বিষয়ে জ্ঞাত নহয়। **মতাটুকুৰা বৰুৱা**ৰ নামত বঁটা প্ৰদানে তেওঁৰ বীৰত্ব আৰু কৰ্মৰাজীৰ বিষয়ে জনাৰ প্ৰতি মানুহক আগ্ৰহী কৰিব বুলি তেওঁ উল্লেখ কৰে।

*(বাইট ঃ সৰ্বানন্দ)*

অনুষ্ঠানত বিশিষ্ট চিকিৎসক তথা সাহিত্যিক ডাঃ নিৰ্মল চাহেৰালক সুশীল গগৈ স্মাৰক সাহিত্য বঁটা প্ৰদান কৰা হয়।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি মেঘালয়ৰ ৰাজধানী শ্বিলঙত আছাম ৰেজিমেণ্টৰ যুদ্ধস্মাৰকস্থলীত দেশ মাতৃৰ সুৰক্ষাৰ হকে সৰ্বোচ্চ ত্যাগ স্বীকাৰ কৰা বীৰ জোৱানসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই উপলক্ষে ড° শৰ্মাই কয়, যে শ্বহীদসকলৰ অদম্য সাহস, বীৰত্ব আৰু আত্মত্যাগে সকলোকে সদায় দেশ সেৱাৰ বাবে অনুপ্ৰাণিত কৰি যাব। মুখ্যমন্ত্ৰীগৰাকীয়ে যুদ্ধস্মাৰকত বীৰ শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে জোৱানসকলৰ সমৰ কলা কৌশল, কুছ কাৱাজ আৰু অস্ত্ৰ সঞ্চালনৰ শৈলী উপভোগ কৰে। এই ভ্ৰমণকালত জোৱান তথা সামৰিক পৰিয়ালবৰ্গৰ সৈতে মুখ্যমন্ত্ৰীগৰাকীয়ে মত-বিনিময়ো কৰে। আছাম ৰেজিমেণ্ট চেণ্টাৰৰ পৰম্পৰাগত সন্মান গাওঁবুঢ়াৰে মুখ্যমন্ত্ৰীগৰাকীক এই কাৰ্যসূচীত সন্মানিত কৰা হয়। অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধী, বিমলা প্ৰসাদ চলিহাৰ পাছত হিমন্ত বিশ্ব শৰ্মা আছাম ৰেজিমেণ্টেল চেণ্টাৰত উপস্থিত হোৱা তৃতীয়গৰাকী মুখ্যমন্ত্ৰী হিচাপে পৰিগণিত হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৭ সংখ্যক খণ্ড।

এই অনুষ্ঠান আকাশবাণী-দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

**সমাপ্ত**